গোচৰ নং:

ফৌজদাৰী আপীল নং- ১৫৩৪/২০০৭

আপীলকাৰী:

হাচি মোহন বৰ্মন আৰু আন এজন

উত্তৰদাতা:

অসম চৰকাৰ আৰু আন এজন

ৰায়দানৰ তাৰিখ: ১৩/১১/২০০৭

পীঠ:

জি.পি. মাথুৰ আৰু আলতামাছ কবিৰ

ৰায়:

ৰায়

ফৌজদাৰী আপীল নং- ১৫৩৪/২০০৭

[বিশেষ অনুমতি আবেদন (ফৌজদাৰী) নং ২৬৭৫/২০০৭- সন্দৰ্ভত উত্থাপিত হোৱা]

ন্যায়াধীশ জি.পি. মাথুৰ

অনুমতি মঞ্জুৰ কৰা হ'ল।

২. বিশেষ অনুমতিৰ জৰিয়তে প্ৰদান কৰা এই আবেদনে ২০০৭ চনৰ ২ জানুৱাৰীত গৌহাটী উচ্চ ন্যায়ালয়ে প্ৰদান কৰা ৰায় আৰু আদেশক প্ৰত্যাহ্বান জনাইছে, যাৰ দ্বাৰা আবেদনকাৰীসকলে কৰা আপীলটো এই পৰিৱৰ্তনৰ সৈতে নিষ্পত্তি কৰা হৈছিল যে কোকৰাঝাৰৰ বিদ্বান অতিৰিক্ত সত্ৰ ন্যায়াধীশৰ দ্বাৰা ভা.দ.বি আইনৰ ধাৰা ৩১৩-ৰ লগতে ধাৰা ৩৪-ৰ অধীনত আবেদনকাৰীসকলৰ প্ৰত্যেকৰে ওপৰত আৰোপ কৰা পাঁচ বছৰৰ সশ্ৰম কাৰাদণ্ড আৰু ৭,০০০/- টকাৰ জৰিমনাক তিনি বছৰ সশ্ৰম কাৰাদণ্ড আৰু ৫,০০০/- টকাৰ জৰিমনালৈ হ্ৰাস কৰা হৈছিল।

৩. চমুকৈ অভিযোগকাৰী পক্ষৰ গোচৰটো হ'ল যে আপীলকাৰী হাচি মোহন বৰ্মনে প্ৰথম গোচৰীয়া অভিযোগকাৰী পক্ষৰ ১ নং সাক্ষী (পি ডব্লিউ-১) হলেশ্বৰী বৰ্মনৰ সৈতে প্ৰেমৰ সম্পৰ্ক স্থাপন কৰিছিল, যি সম্পৰ্কই পৰৱৰ্তী সময়ত শাৰীৰিক সম্পৰ্কৰ পৰ্যায় পাইছিলগৈ আৰু তাৰ ফলত পি ডব্লিউ-১ গৰ্ভৱতী হৈছিল। গাঁওবাসীয়ে হাচি মোহন বৰ্মনৰ ওপৰত পি ডব্লিউ-১-ক বিয়া কৰাবলৈ হেঁচা প্ৰয়োগ কৰিছিল, যিটোক তেওঁ নাকচ কৰিছিল। তেওঁ পি ডব্লিউ-১ক শিশুটিক গৰ্ভপাত কৰিবলৈ কৈছিল, যিটো কৰিবলৈ তেওঁ (পি ডব্লিউ-১) অস্বীকাৰ কৰিলে। ইয়াৰ পিছত ঘটনাৰ নিশা হাচি মোহন বৰ্মনে পি ডব্লিউ-১ হলেশ্বৰী বৰ্মনক সহ-অভিযুক্ত অবিনাশ বিশ্বাসৰ ফাৰ্মাচীলৈ লৈ যায়, যি পি ডব্লিউ-১-ক এটা বিশেষ বেজী দিয়ে যাৰ ফলত পি ডব্লিউ-১ অচেতন হৈ পৰে আৰু তেওঁৰ গৰ্ভপাত  হয়। তেওঁক চেলাইন দিয়া হৈছিল আৰু আপীলকাৰী হাচি মোহন বৰ্মনে তেওঁক প্ৰায় ন দিন 'পাম্পঘৰ'ত ৰাখিছিল য'ৰ পৰা তেওঁক পিতৃ-মাতৃৰ ঘৰলৈ লৈ যোৱা হৈছিল। কিছুদিন পিছত পি ডব্লিউ-১ যে দুয়োজন আপীলকাৰীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। আৰক্ষীয়ে তদন্তৰ অন্তত কেৱল হাচি মোহন বৰ্মনৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰিছিল যদিও পৰৱৰ্তী সময়ত সহ অভিযুক্ত অবিনাশ বিশ্বাসকো বিচাৰৰ সন্মুখীন হ'বলৈ ফৌজদাৰী কাৰ্যবিধি আইনৰ ৩১৯ নং ধাৰাৰ অধীনত চমন কৰা হৈছিল।

৪. বিচাৰত পি ডব্লিউ-১ হলেশ্বৰী বৰ্মনে সাক্ষ্য প্ৰদান কৰে যে ১ নং আপীলকাৰীয়ে তেওঁক বিয়া কৰাব বুলি প্ৰতিশ্ৰুতি দিয়াত তেওঁলোকে যৌন সম্পৰ্কত লিপ্ত হয় আৰু তাৰ ফলত তেওঁ গৰ্ভৱতী হয়। ইয়াৰ পিছত ১ নং আপীলকাৰীয়ে সন্তানটো গৰ্ভপাত কৰিবলৈ হেঁচা প্ৰয়োগ কৰিছিল যদিও তেওঁ মান্তি নহ'ল। ঘটনা সংঘটিত হোৱা নিশা ১ নং আপীলকাৰীয়ে তেওঁৰ ভাতৃৰ সৈতে পি ডব্লিউ-১-ক বলপূৰ্বকভাৱে সহ-অভিযুক্ত অবিনাশ বিশ্বাসৰ ফাৰ্মাচীলৈ লৈ যায় আৰু তেওঁক বলপূৰ্বকভাৱে বেজী দিয়া হয় যাৰ ফলত তেওঁ অচেতন হৈ পৰে। চেতনা ঘূৰি অহাত তেওঁ দেখিলে যে তেওঁক চেলাইন দি থকা হৈছে। কিছু সময়ৰ পিছত ১ নং আপীলকাৰীযে কোৱাত সহ-অভিযুক্ত অবিনাশ বিশ্বাসে আন এটা বেজী প্ৰদান কৰে যাৰ বাবে তেওঁ অচেতন হৈ পৰে। যেতিয়া তেওঁৰ চেতনা ঘূৰি আহিল তেতিয়া তেওঁ গৰ্ভস্থ সন্তানটি হেৰুৱাই পেলোৱা বুলি গম পালে আৰু তাৰ পিছত তেওঁক মাক-দেউতাকৰ ঘৰলৈ লৈ যোৱা হ'ল।

৫. পি ডব্লিউ-৪ আয়ুৰ্বেদিক চিকিৎসক ডাঃ দিলীপ ভৌমিকে নিজৰ সাক্ষ্যত কৈছে যে আপীলকাৰী হাচি মোহন বৰ্মনে পি ডব্লিউ-১ক তেওঁৰ ক্লিনিকলৈ আনিছিল আৰু পি

ডব্লিউ-১ক তেওঁ পৰীক্ষা কৰোঁতে পি ডব্লিউ-১-ৰ ৪-৫ মাহৰ গৰ্ভাৱস্থা চলি থকা বুলি ধৰা পৰিছিল। পি ডব্লিউ-১-ৰ কিছু সমস্যা থকাৰ বাবে তেওঁ কিছু ঔষধ দিছিল। পি ডব্লিউ-৩ ডাঃ ৰেজাউল কৰিমে ২২.৩.১৯৯৫ তাৰিখে অৰ্থাৎ গৰ্ভপাতৰ এমাহতকৈ অধিক সময়ৰ পিছত পি ডব্লিউ-১-ৰ পৰীক্ষা কৰি তলত উল্লেখ কৰা ধৰণে পাইছিল:- "ৰোগীজনৰ যোনিৰ পৰা কিছু ৰক্তক্ষৰণ হৈছিল। কাৰণ জানিবলৈ Dilatation and Evacuation (D&E) নামৰ পদ্ধতি এটাৰে পৰীক্ষা কৰা হৈছিল। এই পৰীক্ষাত জৰায়ুৰ গহ্বৰৰ ভিতৰত প্লেচেন্টাৰ অংশ পোৱা গৈছিল যিটো অসম্পূৰ্ণ গৰ্ভপাতৰ চিন আছিল, যাৰ অৰ্থ আছিল যে তেওঁ গৰ্ভৱতী আছিল।"

৬. উচ্চ ন্যায়ালয়ে প্ৰমাণৰ বিতং পৰীক্ষাৰ অন্তত আপীলকাৰী হাচি মোহন বৰ্মনৰ জৰিয়তে পি ডব্লিউ-১ গৰ্ভৱতী হোৱা আৰু আপীলকাৰীয়ে পি ডব্লিউ-১-ৰ গৰ্ভপাত কৰোৱাবলৈ বিচৰাৰ তথ্য লিপিবদ্ধ কৰিছে। পি ডব্লিউ-১-এ তেনে কৰিবলৈ অস্বীকাৰ কৰাৰ বাবে হাচি মোহন বৰ্মনে অবিনাশ বিশ্বাসৰ সহায়ত পি ডব্লিউ-১ৰ সন্মতি অবিহনে তেওঁৰ গৰ্ভপাত কৰে। সেই অনুসৰি উচ্চ ন্যায়ালয়ে ৰায় দিয়ে যে কোনো সন্দেহৰ ছাঁ নথকাকৈ দুয়োজন আপীলকাৰীয়ে ভা.দ.বি. আইনৰ ৩১৩ নং ধাৰাৰ অধীনত অপৰাধ সংঘটিত কৰিছে। এইদৰে উচ্চ ন্যায়ালয়ে দোষী সাব্যস্তকৰণ বাহাল ৰাখিছিল যদিও দুয়োজন আপীলকাৰীৰ ওপৰতে আৰোপ কৰা সাত বছৰৰ সশ্ৰম কাৰাদণ্ড আৰু ৭,০০০/- টকাৰ জৰিমনাক তিনি বছৰ সশ্ৰম কাৰাদণ্ড আৰু ৫,০০০/- টকাৰ জৰিমনালৈ হ্ৰাস কৰা হৈছিল।

৭. দেখা গৈছে যে গোচৰৰ বিচাৰ চলি থকাৰ সময়ত অভিযোগকাৰী হলেশ্বৰী বৰ্মনে ১ নং আপীলকাৰী হাচি মোহনৰ লগত বিবাহ পাশত আৱদ্ধ হৈছিল আৰু এতিয়া দুয়ো পতি-পত্নী হিচাপে একেলগে বাস কৰি আছে। হলেশ্বৰী বৰ্মনে আপোচত উপনীত হোৱা বুলি শপতনামা দাখিল কৰি স্বামী হাচি মোহন বৰ্মন আৰু ২ নং আপীলকাৰী অবিনাশ বিশ্বাসৰ বিৰুদ্ধে থকা অপৰাধমূলক গোচৰটো প্ৰত্যাহাৰ কৰাটো বিচাৰিছে কাৰণ সমগ্ৰ বিষয়টো মীমাংসা কৰা হৈছে, আৰু তেওঁ আৰু প্ৰথম আপীলকাৰীয়ে দম্পতী হিচাপে শান্তিৰে একেলগে বাস কৰি আছে। হলেশ্বৰী বৰ্মনে দিয়া শপতনামাৰ সত্যতা পৰীক্ষা কৰিবলৈ অতিৰিক্ত সত্ৰ ন্যায়াধীশক নিৰ্দেশ দি আদালতে এক নিৰ্দেশ জাৰি কৰে। অতিৰিক্ত সত্ৰ ন্যায়াধীশে এই আদালতলৈ প্ৰতিবেদন প্ৰেৰণ কৰি কয় যে হলেশ্বৰী বৰ্মনে তেওঁ দাখিল কৰা শপতনামা নিশ্চিত কৰি সাক্ষ্য দিছিল যে তেওঁ আৰু হাচি মোহন বৰ্মনে স্বামী-স্ত্ৰী

হিচাপে শান্তিপূৰ্ণভাৱে বাস কৰি আছে। যিহেতু হলেশ্বৰী বৰ্মন আৰু হাচি মোহন বৰ্মনে এতিয়া বিবাহিত হৈ সুখেৰে একেলগে জীৱন নিৰ্বাহ কৰিছে, সেয়েহে আপীল মঞ্জুৰ কৰি আপীলকাৰীসকলৰ দোষী সাব্যস্তকৰণ বাতিল কৰিব লাগে।

৮. ফৌজদাৰী দণ্ডবিধি আইনৰ ৩২০ নং ধাৰাত কোৱা হৈছে যে পৰৱৰ্তী তালিকাৰ প্ৰথম দুটা স্তম্ভত উল্লেখ কৰা ভাৰতীয় দণ্ডবিধিৰ (১৮৬০ চনৰ ৪৫) ধাৰাসমূহৰ অধীনত শাস্তিযোগ্য অপৰাধসমূহ সেই তালিকাৰ তৃতীয় স্তম্ভত উল্লেখ কৰা ব্যক্তিসকলে নিষ্পত্তি কৰিব পাৰে। ৩২০ নং ধাৰাত দেখুওৱা হৈছে যে ভাৰতীয় দণ্ডবিধি আইনৰ ৩১৩ নং ধাৰাত হোৱা অপৰাধ চুক্তিৰ দ্বাৰা নিষ্পত্তি কৰিব নোৱাৰি। গতিকে পত্নীগৰাকী অৰ্থাৎ পি ডব্লিউ-১-য়ে দিয়া সন্মতি বা তেওঁ দাখিল কৰা শপতনামাৰ ব্যৱহাৰ কৰি অভিযুক্ত আপীলকাৰীসকলক দোষমুক্ত কৰিব নোৱাৰিব।

৯. এই আদালতৰ এনে কেতবোৰ সিদ্ধান্ত আছে য'ত শাস্তি হ্ৰাস কৰাৰ বাবে অভিযুক্ত আৰু অভিযোগকাৰী (বা আঘাতপ্ৰাপ্ত বা ক্ষতিগ্ৰস্ত ব্যক্তি)ৰ মাজত বুজাবুজি বা আপোচৰ কাৰকটো বিবেচনা কৰা হৈছে।

১০. আদালতে প্ৰথমে *ৰাম পূজন আৰু অন্যান্য বনাম উত্তৰ প্ৰদেশ চৰকাৰ* (১৯৭৩) ২ এছচিচি ৪৫৬ গোচৰত এই বিষয়টো উত্থাপন কৰিছিল, য'ত বিচাৰ আদালতে ভাৰতীয় দণ্ডবিধি আইনৰ ৩২৬ নং ধাৰাত অভিযুক্তজনক দোষী সাব্যস্ত কৰিছিল, যিটো দোষক চুক্তিৰ দ্বাৰা নিষ্পত্তি কৰিব নোৱাৰি, আৰু তেওঁলোকক চাৰি বছৰৰ সশ্ৰম কাৰাদণ্ডৰ শাস্তি প্ৰদান কৰিছিল। অভিযুক্ত আৰু আঘাতপ্ৰাপ্ত পক্ষৰ মাজত হোৱা বুজাবুজিৰ বাবে উচ্চ ন্যায়ালয়ে শাস্তি দুবছৰলৈ হ্ৰাস কৰে। এই আদালতে লক্ষ্য কৰিছিল যে শাস্তিৰ দৈৰ্ঘ্য নিৰ্ণয় কৰাৰ সময়ত বুজাবুজিৰ প্ৰসংগ বিবেচনা কৰিব পাৰি, ইয়াৰ দ্বাৰা শাস্তি ইতিমধ্যে কটাবলগীয়া সময়লৈ হ্ৰাস কৰা হৈছিল, যাৰ ম্যাদ চাৰি মাহৰ অলপ বেছি আছিল, আৰু প্ৰতিজন আপীলকাৰীৰ ওপৰত ১৫০০ টকা জৰিমনা বিহা হৈছিল। আন এটা প্ৰাসংগিক গোচৰ হ'ল *সুৰেন্দ্ৰ নাথ মহান্তি আৰু আন এজন বনাম উৰিষ্যা চৰকাৰ* (১৯৯৯) ৫ এছচিচি ২৩৮, য'ত তিনিজনীয়া বিচাৰপীঠে ৰায় প্ৰদান কৰিছিল। ফৌজদাৰী কাৰ্যবিধি আইনৰ ৩২০ নং ধাৰাত থকা আইনগত আদেশৰ প্ৰতি লক্ষ্য ৰাখি এটা অপৰাধক উক্ত ধাৰাটোৰ বিধান অনুসৰিহে বৃদ্ধি কৰিব পাৰি। আদালতে ৰাম পূজন (উপৰোক্ত) গোচৰত লোৱা মতামত অনুসৰণ কৰি দুয়োপক্ষৰ মাজত বুজাবুজি হোৱা আৰু ঘটনাৰ তাৰিখৰ পৰা দহ বছৰৰ সময়সীমা পাৰ হোৱাৰ কথা লক্ষ্য কৰি ভা.দ.বি. আইনৰ

৩০৭ আৰু ৩২৬ নং ধাৰাৰ অধীনত আৰোপ কৰা পাঁচ বছৰৰ সশ্ৰম কাৰাদণ্ড ইতিমধ্যে কটোৱা সময়লৈ অৰ্থাৎ তিনিমাহলৈ হ্ৰাস কৰা হয় আৰু লগতে ৫,০০০/- টকা জৰিমনা বিহা হয়।

১১. এই আদালতৰ আন কেইবাটাও সিদ্ধান্ত আছে য'ত আপোচ বা বুজাবুজিৰ কাৰকটো বিবেচনা কৰা হৈছে, আৰু শাস্তিৰ ম্যাদ প্ৰায়ভাগৰেই ইতিমধ্যে শাস্তি ভোগ কৰি পাৰ কৰা সময়সীমালৈ হ্ৰাস কৰা হৈছে। এই গোচৰসমূহৰ ভিতৰত আছে বাংকট আৰু আন এজন বনাম মহাৰাষ্ট্ৰ চৰকাৰ (২০০৫) ১ এছচিচি ৩৪৩, বদ্ৰিলাল বনাম মধ্য প্ৰদেশ চৰকাৰ (২০০৫) ৭ এছচিচি ৫৫, আৰু জেঠা ৰাম আৰু অন্যান্য বনাম ৰাজস্থান চৰকাৰ (২০০৬) ৯ এছচিচি ২৫৫।

১২. ওপৰত উল্লিখিত গোচৰসমূহৰ ভিত্তিত আমি আমাৰ মতামত আগবঢ়াও যে যিহেতু অভিযোগকাৰী আৰু মূল অভিযুক্ত বিবাহিত, গতিকে ইতিমধ্যে ইতিমধ্যে শাস্তি ভোগ কৰি পাৰ কৰা সময়সীমালৈ শাস্তি হ্ৰাস কৰাটো ন্যায্য। গতিকে আবেদনখন আংশিকভাৱে মঞ্জুৰ কৰা হৈছে। ভা.দ.বি. আইনৰ ৩১৩ নং ধাৰাৰ অধীনত দোষী সাব্যস্তকৰণ বাহাল ৰখা হৈছে যদিও ইতিমধ্যে শাস্তি ভোগ কৰি পাৰ কৰা সময়খিনিলৈ এই শাস্তি হ্ৰাস কৰা হৈছে, যাৰ ম্যাদ প্ৰায় দহ মাহ। আপীলকাৰীসকলৰ ওপৰত আৰোপ কৰা জৰিমনাও বাতিল কৰা হৈছে। বৰ্তমান আপীলকাৰীসকল জামিনত আছে। তেওঁলোকৰ জামিনদাৰ আৰু জামিন নামাক খাৰিজ কৰা হৈছে।

*অনুবাদক: মায়াশ্ৰী মহন্ত, জ্যেষ্ঠ অনুবাদক, অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়*

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়নৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ’ব।“